# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 28-MAR-2026
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

---

১। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যজুৰি বিভিন্ন ৰাজনৈতিক দলৰ ব্যাপক প্ৰচাৰ। চিৰাঙত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু তিতাবৰত গৌৰৱ গগৈৰ প্ৰচাৰ অভিযান।

২। নিৰ্বাচন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ বিভিন্ন জিলা প্ৰশাসনৰ প্ৰশিক্ষণ আৰু সজাগতামূলক কাৰ্যসূচী অব্যাহত।

৩। গুৱাহাটীত অবৈধভাৱে ব'ৰিং স্থাপন কৰা বুলি উঠা অভিযোগ সন্দৰ্ভত ৰাজ্য চৰকাৰ আৰু বিভিন্ন ৰাজ্যিক সংস্থালৈ ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণৰ জাননী জাৰি। **আৰু**

৪। আজিৰে পৰা আই পি এল ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ। বেংগালুৰুত হ'বলগীয়া উদ্বোধনী খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ মুখামুখি।

ooooo

বিধানসভা নিৰ্বাচনলৈ মাজত ১১ দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। শাসক-বিৰোধী উভয়ে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে উঠি পৰি লাগিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বিজনী আৰু তামুলপুৰত এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ বিজয় সংকল্প সভাত ভাগ লয়। কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা শিৱৰাজ সিং চৌহানে আজি ৰঙিয়াত ভৱেশ কলিতাৰ হৈ প্ৰচাৰ চলায়। অসম প্ৰদেশ বিজেপিৰ সভাপতি দিলীপ শইকীয়াই বৰপেটা সমষ্টিত মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ আজি নিৰ্বাচনী প্ৰচাৰ চলায়।

বাইট

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি আৰু কাইলৈ ৰাজ্যখনত প্ৰচাৰ চলাব। গৃহমন্ত্ৰীগৰাকীয়ে আজি বিয়লি গুৱাহাটীত ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। তেওঁ মধ্য গুৱাহাটীৰ প্ৰাৰ্থী বিজয় গুপ্তাৰ হৈ প্ৰচাৰ চলাব। শ্ৰীশ্বাহে কাইলৈ নলবাৰী জিলাৰ চামতাত এখন জনসভাত অংশ ল'ব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি বঙাইগাঁৱত মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ হৈ প্ৰচাৰ চলায়।

বাইট

কংগ্ৰেছ আৰু বিৰোধী মিত্ৰদলসমূহৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলেও ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ চলাই আছে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে তিতাবৰত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰত অংশ লয়।

বাইট

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কাইলৈ লখিমপুৰত প্ৰচাৰ অভিযান চলাব। অসম জাতীয় পৰিষদৰ নেতা লুৰিণজ্যোতি গগৈয়ে খোৱাং সমষ্টিৰ লগতে অন্যান্য স্থানত প্ৰচাৰ অব্যাহত ৰাখিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ মাৰ্চৰ দুপৰীয়া ১ বজাত ৰাজ্যৰ জনসাধাৰণৰ সৈতে ভাৰ্চুৱেলি সংযুক্ত হ'ব। এই ভাৰ্চুৱেল বাৰ্তালাপত প্ৰধানমন্ত্ৰীগৰাকীয়ে বিজেপি আৰু প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। সেই উদ্দেশ্যে দলীয় কৰ্মী তথা

ৰাজ্যৰ জনসাধাৰণক নমো এপ ডাউনলোড কৰাৰ লগতে পঞ্জীয়ন কৰাৰ বাবে ৰাজ্যিক বিজেপিয়ে আহ্বান জনাইছে। এই এপ ডাউনলোড কৰি পঞ্জীয়ন কৰা সকলেহে প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে পোনপটীয়াকৈ সংযুক্ত হ'ব পাৰিব।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনো ২৯ আৰু ৩০ মাৰ্চত প্ৰচাৰ চলাবলৈ অসমলৈ আহিব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১, ৫ আৰু ৬ এপ্ৰিলত পুনৰ দলৰ হৈ ৰাজ্যৰ বিভিন্ন অংশত প্ৰচাৰ চলাব।

ooooo

ৰাজ্যত বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন জিলা প্ৰশাসনে নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰিবলৈ ব্যাপক প্ৰস্তুতি চলাইছে। জিলাই জিলাই প্ৰিজাইদিং আৰু প'লিং বিষয়াসকলৰ প্ৰশিক্ষণ চলি থকাৰ লগতে বিভিন্ন সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হৈছে।

বজালী প্ৰশাসনে জিলাখনৰ ভৱানীপুৰ-সৰভোগ আৰু বজালী বিধানসভা সমষ্টিৰ প্ৰাৰ্থীসকলৰ ব্যয়ৰ হিচাপ পৰীক্ষাৰ বাবে তিনিটা পৃথক দিন ঘোষণা কৰিছে। এই অনুসৰি ২৮ মাৰ্চ, ১ এপ্ৰিল আৰু ৬ এপ্ৰিলত সকলো প্ৰাৰ্থী বা তেওঁলোকৰ অনুমোদিত এজেণ্টসকলে ব্যয় নিৰীক্ষণ দলৰ ওচৰত ব্যয় ব্যৱস্থাপনা আৰু আনুসংগিক নথি পত্ৰ দাখিল কৰিব লাগিব।

শ্ৰীভূমি জিলা প্ৰশাসনে নিৰ্বাচনী প্ৰক্ৰিয়াত স্বচ্ছতা নিশ্চিত কৰাৰ বাবে বিশেষ উদ্যোগ লৈছে। এই অনুসৰি নিৰ্বাচনী অনিয়ম বা আদৰ্শ আচৰণবিধি উলংঘনৰ অভিযোগ দাখিল কৰিবলৈ ফোন নম্বৰ মুকলি কৰা হৈছে। তদুপৰি চি ভিজিল এপ্লিকেচন ব্যৱহাৰ কৰি যিকোনোধৰণৰ অভিযোগ দাখিল কৰিব পাৰিব বুলি জিলা প্ৰশাসনে জনাইছে।

নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত দৰং জিলা প্ৰশাসনে শুভংকৰ ওজা মুকলি কৰে। জিলা নিৰ্বাচনী বিষয়া আয়ুষী জৈনে আজি দৰঙৰ চহকী লোকসংগীত ওজাপালি, বৰঢোল আৰু দৰঙৰ গৌৰৱ ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ এটা খৰ্গযুক্ত গঁড়ক প্ৰতীক ৰূপত লৈ প্ৰস্তুত কৰা এই শুভংকৰটো মুকলি কৰে। ইয়াৰ লগতে নৱপ্ৰজন্মৰ ভোটাৰসকলক আকৰ্ষণ কৰাৰ উদ্দেশ্যে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ এটা ছেল্ফী পইণ্টো মুকলি কৰা হয়।

নগাঁৱত আজি নিৰ্বাচনত নিয়োজিত আৰক্ষী আৰু অসামৰিক বাহিনীৰ বিষয়াসকলৰ এখন গুৰুত্বপূৰ্ণ যৌথসভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া দেৱাশীষ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত নিৰ্বাচন আয়োগৰ দ্বাৰা নিয়োজিত কেইবাগৰাকীও জ্যেষ্ঠ পৰ্যবেক্ষক উপস্থিত থাকে। সভাত উপস্থিত থকা অসামৰিক মাণ্ডলিক আৰু খণ্ড বিষয়াৰ লগতে আৰক্ষী মাণ্ডলিক আৰু খণ্ড বিষয়াসকলক নিৰ্বাচন প্ৰক্ৰিয়াটো সম্পূৰ্ণ স্বচ্ছ আৰু নিৰপেক্ষভাৱে সম্পন্ন কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিবলৈ জিলা আয়ুক্তগৰাকীয়ে পৰামৰ্শ দিয়ে।

যোৰহাট জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া জয় শিৱানীয়ে জিলাখনৰ চাৰিওটা বিধানসভা সমষ্টিৰ নিৰ্বাচনী প্ৰস্তুতি বুজ লোৱাৰ উদ্দেশ্যে ডাক বেলট পেপাৰ মুদ্ৰণৰ কাম চলি থকা ছপাশালসমূহ পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত জিলা আয়ুক্তগৰাকীক ৰিটাৰ্নিং বিষয়া, নিৰ্বাচনী বিষয়া আৰু বিভাগীয় বিষয়াসকল উপস্থিত থাকে। জিলা আয়ুক্তগৰাকীয়ে ডাক বেলট পেপাৰ সম্পৰ্কীয় কামবোৰ স্বচ্ছতা আৰু গোপনীয়তা বজাই ৰাখি নিয়াৰিকৈ কৰিবলৈ সংশ্লিষ্ট পক্ষক নিৰ্দেশ দিয়ে।

ooooo

ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণে গুৱাহাটীৰ বিভিন্ন অংশত অবৈধভাৱে ভূগৰ্ভৰ পানী আহৰণ কৰাৰ বাবে ব'ৰিং স্থাপন কৰা বুলি উঠা অভিযোগ সন্দৰ্ভত ৰাজ্য চৰকাৰ আৰু বিভিন্ন ৰাজ্যিক সংস্থালৈ জাননী জাৰি কৰিছে। বৰ্ষাপাৰা এলেকাত ভূগৰ্ভৰ পানী আহৰণৰ বাবে অবৈধভাৱে ব'ৰিং স্থাপনক লৈ উদ্বেগ প্ৰকাশ কৰি মিলনকান্তি দাস আৰু অন্যান্যসকলে দাখিল কৰা এখন আবেদন গ্ৰহণ কৰি ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণৰ পূব মণ্ডল বিচাৰপীঠে কালি ৰাজ্য চৰকাৰ আৰু যাৱতীয় সংস্থাসমূহক চাৰি সপ্তাহৰ ভিতৰত উত্তৰ দিবলৈ নিৰ্দেশ দিয়ে। ন্যায়াধীশ দীনেশ কুমাৰ সিং

আৰু বিশেষজ্ঞ সদস্য ঈশ্বৰ সিঙক লৈ গঠিত বিচাৰপীঠখনে লগতে ৮ মে’ত বিষয়টোৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰে।

০০০০০

সমগ্ৰ বিশ্বৰ লগতে অসমতো আজি বিশ্ব ধৰিত্ৰী ঘণ্টা পালন কৰা হ’ব। পৰিৱেশ সুৰক্ষাৰ স্বাৰ্থত WWF-ৰ আহ্বানমৰ্মে পালন কৰিবলগীয়া এই কাৰ্যসূচী অনুসৰি আজি নিশা চাৰে ৮ বজাৰ পৰা চাৰে ৯ বজালৈ জনসাধাৰণক পৰিমিত পৰিমাণৰ বিদ্যুৎ ব্যৱহাৰ কৰিবলৈ আহ্বান জনোৱা হৈছে। ৰাজ্যৰ প্ৰতিখন জিলাৰ সকলো চৰকাৰী কাৰ্যালয় তথা অনুষ্ঠান-প্ৰতিষ্ঠানত এই সময়ছোৱাত অপ্ৰয়োজনীয় লাইট এঘণ্টাৰ বাবে বন্ধ থাকিব। এই সন্দৰ্ভত ৰাজ্য চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগে প্ৰয়োজনীয় নিৰ্দেশনা জাৰি কৰিছে। এইবাৰ ধৰিত্ৰী ঘণ্টাৰ বিষয়বস্তু হৈছে – ‘আমাৰ শক্তি, আমাৰ পৃথিৱী’।

০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে প্ৰচাৰ কৰি থকা **অসম বিধানসভা নিৰ্বাচন-২০২৬** শীৰ্ষক দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলৰ সৈতে হোৱা এটা সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ’ব। অনুষ্ঠানৰ আঁত ধৰিব পৰিস্মীতা দিহিঙ্গীয়াই।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ’ব অনুষ্ঠানটোৰ ১৩২ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ’ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ১৯ সংখ্যক সংস্কৰণ আজি সন্ধিয়া বেংগালুৰুত আৰম্ভ হ’ব। প্ৰতিযোগিতাৰ উদ্বোধনী খেলত আজি চেন্নাইৰ এম চিন্নাস্বামী ষ্টেডিয়ামত যোৱাবাৰৰ বিজয়ী ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব। দুমাহজোৰা এই প্ৰতিযোগিতাখন অহা ৩১ মে’ত সমাপ্ত হ’ব।

ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে দলৰ নতুন অধিনায়ক ৰজত পাটিদাৰৰ নেতৃত্বত অভিযান আৰম্ভ কৰিব। ইপিনে অষ্ট্ৰেলিয়াৰ পেচাৰ পেট কামিন্স আঘাতৰ বাবে খেলৰ পৰা আঁতৰি থকাত ছানৰাইজাৰ্ছ হায়দৰাবাদক ঈষাণ কিষাণে নেতৃত্ব দিব।

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ- বিচিচিআইয়ে পূৰ্বৰ দৰে এইবাৰ আই পি এলৰ উদ্বোধনী অনুষ্ঠান আয়োজন নকৰাৰ সিদ্ধান্ত লৈছে। বিগত বৰ্ষৰ জুনত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিজয় উদযাপনত ষ্টেডিয়ামৰ বাহিৰত হোৱা হেঁচা-ঠেলাত ১১ জন ক্ৰিকেটপ্ৰেমীৰ মৃত্যুৰ প্ৰতি সন্মান জনাই বিচিচিআইয়ে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। নিহত ক্ৰিকেটপ্ৰেমী কেইগৰাকীৰ সোঁৱৰণত এইবাৰৰ প্ৰতিযোগিতাত ষ্টেডিয়ামত স্থায়ীভাৱে ১১ খন আসন খালী ৰখা হ’ব বুলি বিচিচিআইয়ে ঘোষণা কৰিছে।

০০০০০

সমাপ্ত